# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-11-2024
**Time :** 1340 hrs

*Assamese Midday Bulletin*

# HEADLINES

১। পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ ভ্ৰমণৰত প্ৰধানমন্ত্ৰী মোদীয়ে যোৱানিশা গায়েনাৰ ৰাজধানী জৰ্জ টাউনত ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুজৱেল্ট স্কেৰিটক সাক্ষাৎ কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ভাৰতে সদায় জটিল আন্তঃৰাষ্ট্ৰীয় সমস্যা সমাধানৰ বাবে পোষকতা কৰে বুলি উল্লেখ কৰে।

৩। কে সঞ্জয় মূৰ্তিয়ে দেশৰ নতুন কন্ট্ৰোলাৰ এণ্ড অডিটৰ জেনেৰেল হিচাপে শপত গ্ৰহণ কৰিছে।

৪। আই চি চিৰ পুৰুষৰ টি-২০ ৰেংকিঙত ভাৰতৰ হাৰ্দিক পাণ্ডিয়াই অল ৰাউণ্ডাৰ হিচাপে পুনৰ প্ৰথম স্থান দখল কৰিছে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ কাইলৈ পাৰ্থত আৰম্ভ হ'ব।

০০০০০

পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ ভ্ৰমণৰত প্ৰধানমন্ত্ৰী মোদীয়ে যোৱানিশা গায়েনাৰ ৰাজধানী জৰ্জ টাউনত ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুজৱেল্ট স্কেৰিটক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই জলবায়ুৰ সুস্থিৰতা, স্বাস্থ্য সেৱা, সক্ষমতা বৃদ্ধি আৰু দুয়ো দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰা আদি বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘত সহযোগিতাৰ বিষয় লৈও আলোচনা কৰে।

শ্ৰীমোদীয়ে যোৱা নিশা চুৰিনামৰ ৰাষ্ট্ৰপতি চন্দ্ৰিকাপ্ৰসাদ চান চন্তোখী, ত্ৰিনিডাড আৰু ট'বেগ'ৰ প্ৰধানমন্ত্ৰী ডঃ কেইথ ৰাউল, বাহামাচৰ প্ৰধানমন্ত্ৰী ফিলিপ ব্ৰেভ ডেভিছ্ বাৰ্বাডোচৰ প্ৰধানমন্ত্ৰী মিয়া অমোৰ ম'টলীৰ সৈতেও বিভিন্ন দ্বিপাক্ষিক আৰু আন্তৰ্জাতিক বিষয় লৈ আলোচনা কৰে। বাৰ্বাডোচৰ প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনাৰ সময়ত দেশখনৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক সেই দেশৰ সন্মানীয় অৰ্ডাৰ অৱ ফ্ৰীডম অব বাৰ্বাডোচ সন্মান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। অহা ৩০ নৱেম্বৰত শ্ৰীমোদীক এই সন্মান প্ৰদান কৰা হ'ব।

শ্ৰীমোদীয়ে যোৱা নিশা গ্ৰেনাডাৰ প্ৰধানমন্ত্ৰী ডিকন মিচ্চেলকো সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে দ্বিতীয় ভাৰত-কেৰীকম শীৰ্ষ সন্মিলন সফলতাৰে আয়োজন কৰাৰ বাবে শ্ৰীমিচ্চেলক অভিনন্দন জ্ঞাপন কৰে। নেতা দুগৰাকীয়ে শিক্ষা, আই চি টি, স্বাস্থ্যসেৱা, খাদ্য সুৰক্ষা, ক্ৰিকেট, ক্ষমতা বিকাশ আৰু স্থায়ী বিকাশ আদি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়েও আলোচনা কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ভাৰতে সদায় জটিল আন্তঃৰাষ্ট্ৰীয় সমস্যা সমাধানৰ বাবে পোষকতা কৰে বুলি উল্লেখ কৰে। লাওচৰ ভিয়েণ্টিয়ানত অনুষ্ঠিত একাদশ আছিয়ান প্ৰতিৰক্ষা মন্ত্ৰীৰ বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে মুক্ত যোগাযোগ আৰু শান্তিপূৰ্ণ আলোচনাৰ প্ৰতিশ্ৰুতিৰ লগতে সীমা বিবাদৰ পৰা আৰম্ভ কৰি বাণিজ্যিক চুক্তিলৈকে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীক স্পষ্ট ৰূপত দাঙি ধৰে। তেওঁ ভাৰতে বিশ্বজনীন সমস্যাই প্ৰকৃত, দীৰ্ঘম্যাদী সমস্যাৰ সমাধান সম্ভৱ হোৱাৰ কথা উল্লেখ কৰি জাতিসমূহে গঠনমূলকভাৱে পৰস্পৰৰ দৃষ্টিভংগী সন্মান প্ৰদৰ্শন কৰা উচিত বুলি প্ৰকাশ কৰে। বিশ্বৰ বিভিন্ন ঠাইত চলি থকা সংঘাত আৰু আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰতি থকা প্ৰত্যাহ্বানৰ কথা বিবেচনা কৰাৰ উদ্দেশ্যেৰে লাওচৰ এই বৈঠকত অংশগ্ৰহণ কৰাটো অন্যতম বুলি প্ৰকাশ কৰি বৌদ্ধ ধৰ্মৰ অহিংসা আৰু শান্তিৰ নীতি বহুদিনৰ পৰাই আভ্যন্তৰীণ সমস্যাসমূহক সমাধান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু সমৃদ্ধিৰ প্ৰসাৰৰ প্ৰেক্ষাপটত নেভিকেশ্যন আৰু অ'ভাৰফ্লাইটৰ স্বাধীনতা, বৈধ বাণিজ্য আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ আনুগত্যৰ বাবে ভাৰতে থিয় দিছে বুলি ভাষণ প্ৰসঙ্গত তেওঁ প্ৰকাশ কৰে। আচৰণ বিধি সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে এনে এখন সংহিতা দেখিব বিচাৰে যিয়ে এই আলোচনাৰ পক্ষত নথকা জাতিসমূহৰ বৈধ অধিকাৰ আৰু স্বাৰ্থ ক্ষতিগ্ৰস্ত কৰিব নালাগে। তেওঁ লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় আইনৰ সৈতে সম্পূৰ্ণৰূপে বিশেষকৈ ৰাষ্ট্ৰসংঘৰ সাগৰীয় চুক্তি ১৯৮২ৰ সৈতে এই সংহিতাখন সামঞ্জস্যপূৰ্ণ হ'ব লাগে বুলি প্ৰকাশ কৰে। একবিংশ শতিকাটোৱেই আছিয়ান শতিকা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই অঞ্চলটো সদায় অৰ্থনৈতিকভাৱে গতিশীল আৰু ব্যৱসায়-বাণিজ্য তথা সাংস্কৃতিক কাৰ্যকলাপেৰে উদ্বুদ্ধ হৈ আহিছে বুলি উল্লেখ কৰে। তেওঁ লগতে আছিয়ানৰ সৈতে ভাৰতৰ সৰ্বাংগীন কৌশলগত অংশীদাৰিত্বই ভাৰত আৰু আছিয়ানৰ অংশীদাৰিত্বৰ ভেটি সুদৃঢ় কৰিব বুলিও মন্তব্য কৰে।

০০০০০

কে সঞ্জয় মূৰ্তিয়ে দেশৰ নতুন কন্ট্ৰোলাৰ এণ্ড অডিটৰ জেনেৰেল হিচাপে শপত গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমূৰ্তিক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। ইয়াৰ পূৰ্বে উচ্চ শিক্ষা বিভাগৰ সচিব ৰূপে কাৰ্যনিৰ্বাহ কৰা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ জ্যেষ্ঠ বিষয়া মূৰ্তিক গিৰিজ চন্দ্ৰ মুৰ্মুৰ স্থলাভিষিক্ত কৰা হৈছে।

০০০০০

আজি বিশ্ব মীন দিৱস। এইবাৰৰ মীন দিৱসৰ বিষয়বস্তু হ'ল ভাৰতৰ নীল ৰূপান্তৰণ ঃ ক্ষুদ্ৰ তথা বহনক্ষম মীন ক্ষেত্ৰৰ সবলীকৰণ। মীন দিৱস উপলক্ষে আজি দিছপুৰৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন কক্ষ তথা প্ৰশিক্ষণ কেন্দ্ৰত ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ উপস্থিতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশ্ব মীন দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত আধুনিক প্ৰযুক্তিৰ প্ৰয়োগে মৎস্যপালন খণ্ডত বিপুল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে বুলি উল্লেখ কৰি কয়, যে বায়'ফ্লক, জল সঞ্চালনৰ জৰিয়তে মৎস্যপালন, পোনা উৎপাদন তথা আলংকাৰিক মৎস্যপালন আদি প্ৰযুক্তিনিৰ্ভৰ খণ্ডসমূহে ৰাজ্যৰ মীন উদ্যোগটোক নতুন গতি দিবলৈ সক্ষম হৈছে। সম্প্ৰতি মৎস্য উদ্যোগৰ বিকাশত ষ্টাৰ্টআপৰ ব্যাপক ভূমিকাৰ বিষয়ে অসমৰ যুৱ প্ৰজন্ম সজাগ হোৱা উচিত বুলিও তেওঁ কয়।

বিশ্ব মীন দিৱসৰ উদ্দেশ্য হৈছে মৎস্য সম্পৰ্কীয় বহনক্ষম নীতিৰ গুৰুত্ব  সন্দৰ্ভত আলোকপাত, সাগৰীয় আৰু অলৱণীয় পানীৰ সম্পদলৈ অহা ভাবুকিৰ প্ৰতি দৃষ্টি আকৰ্ষণ, ক্ষুদ্ৰ মাছমৰীয়া সম্প্ৰদায়ৰ বাবে মানৱ অধিকাৰ শক্তিশালীকৰণ, অবৈধ, তথ্যবিহীন আৰু অনিয়ন্ত্ৰিত মৎস্য আহৰণ নিষিদ্ধকৰণ আৰু মৎস্য ক্ষেত্ৰত জড়িত ৰাইজৰ বাবে কৰ্মৰ পৰিৱেশ উন্নীতকৰণ কৰা।

ooooo

ভাৰতে কালি বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনক ১-০ গ'লত পৰাস্ত কৰি খিতাপ দখল কৰে। খেলখনত দীপিকাই ভাৰতৰ হৈ একমাত্ৰ গ'লটো দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে খেলুৱৈসকলে পাৰদৰ্শিতাৰে খেল প্ৰদৰ্শন কৰি ভৱিষ্যতৰ খেলুৱৈসকলক উৎসাহ যোগাব বুলি শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

ভাৰতৰ কাৰাগাৰৰ পৰা মুক্ত হোৱা নাগৰিকক কালি পশ্চিম বংগৰ বেনাপোল তালাচী চকীৰে স্বদেশলৈ ওভতাই পঠিওৱা হয়। ভাৰতৰ পাৰপত্ৰ বিষয়াসকলে ১১গৰাকী মহিলা সহ ২৪ গৰাকী বাংলাদেশী নাগৰিকক বাংলাদেশী বিষয়াৰ হাতত সোধাই দিয়ে। উল্লেখযোগ্য যে বৈধ নথিপত্ৰ অবিহনে ভাৰতত প্ৰৱেশ কৰা এই লোককেইজনক প্ৰথমে কলকাতা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু আদালতে তেওঁলোকক দোষী সাব্যস্ত কৰি দুবছৰৰ কাৰাদণ্ড বিহিছিল। প্ৰত্যাৰ্পনৰ পাছত বেনাপোল আৰক্ষীয়ে তেওঁলোকক নিজ নিজ পৰিয়াললৈ ঘূৰাই পঠিয়াবলৈ জশোৰৰ এটা মানৱ অধিকাৰ সংগঠনৰ হাতত গতাই দিয়ে।

ooooo

**আই চি চিৰ পুৰুষৰ টি-২০ ৰেংকিঙত ভাৰতৰ হাৰ্দিক পাণ্ডাই বিশ্বৰ অল ৰাউণ্ডাৰ হিচাপে পুনৰ প্ৰথম স্থান দখল কৰিছে। বেটছমেনৰ তালিকাত শীৰ্ষ দহৰ তৃতীয় স্থানত ভাৰতৰ তিলক বাৰ্মা থকাৰ লগতে সূৰ্য্যকুমাৰ যাদৱ চতুৰ্থ স্থানলৈ উন্নীত হৈছে। আনহাতে, যশস্বী জয়ছোৱালে এটা স্থান অৱনমিত হৈ আঠ নম্বৰ স্থানত আছে। পেচ বলাৰ অৰ্শদ্বীপ সিঙে ৰবি বিষ্ণয়ৰ সৈতে শীৰ্ষ দহৰ তালিকাত স্থান লাভ কৰিছে।**

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ কাইলৈ পাৰ্থত আৰম্ভ হ'ব। ভাৰতীয় দলৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই ব্যক্তিগত অসুবিধাৰ বাবে প্ৰথম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যশপ্ৰীত বুমৰাই দলটোৰ দায়িত্ব ল'ব। ভাৰতীয় দলৰ আন এগৰাকী আগশাৰীৰ বেটচমেন শুভমন গীলেও আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ ল'ব নোৱাৰে। টেষ্ট মেচৰ পূৰ্বে আজি ভাৰত আৰু অষ্ট্ৰেলিয়া দুয়োটা দলেই অনুশীলনত অংশ লয়। ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা ৭ বাজি ৫০ মিনিটৰ পৰা এই খেল আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**